ইণ্টাৰনেটত ‘দৈনিক অসম’ http://dainik.assamtribune.com

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

৫৮ বছৰীয়া ঐতিহ্য ১৯৬৫-২০২২

৭ | ‘ঐক্য’ৰ ব্যতিক্ৰমী অন্তৰংগ আলাপ

দক্ষিণ কোৰিয়াত অ’লেনা জেলেনস্কা | ১০

মুখ্যমন্ত্ৰীলৈ জ্যেষ্ঠ নাগৰিকৰ স্মাৰক-পত্ৰ | ৯

১২ | শুভমন গীলৰ অসামান্য কৃতিত্ব

।২৭৭ সংখ্যা, ২ জেঠ, বুধবাৰ, ১৯৪৫ শক । DAINIK ASAM : Assamese Daily । VOL. 58 NO. 277 । DIBRUGARH, WEDNESDAY, MAY 17, 2023 । পৃষ্ঠা ১২ (Pages 12) ।

## া ল’ৰা প্ৰাথমিক
## গী বিদায় উদ্‌যাপন

ৰ নগৰৰ জেঙনীকটীয়া ডেকা বৰবৰুৱা
ীকটীয়া ল’ৰা প্ৰাথমিক বিদ্যালয়ত ১৪
বহাগী বিদায় অনুষ্ঠানৰ লগতে মাতৃ
নুষ্ঠানৰ লগত সংগতি ৰাখি ১৪ মে’ত
াৰকসকলৰ মাজত পায়স প্ৰতিযোগিতা
৷ কৱৰী নাথে আঁত ধৰা আৰু উদ্দেশ্য
াৰ গিনীজ বুক ৰেকৰ্ডছৰ অনুষ্ঠানত
, প্ৰীমি গগৈ, লাকী গগৈৰ লগতে
ৰ্শন ...ৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে।
৷ বিজয়ীসকলক পুৰস্কাৰ প্ৰদান
উচ্চবৰ্গ সহায়ক যামিনী নাথ,
ত থাকে। কণ্ঠশিল্পী জানক্ৰিচ
াটো জীপাল কৰি তোলে।

# ডিব্ৰুগড়ত ‘ব’হাগৰ এসন্ধ্যা’ শীৰ্ষক অনুষ্ঠান সম্পন্ন

নিজা বাতৰি দিওঁতা

টিংখাং, ১৬ মে’ঃ ‘সংস্কৃতিয়ে মানুহৰ মন পৰিৱৰ্তন কৰিব পাৰে। মানুহৰ মন পৰিৱৰ্তন কৰে বাবেই সংস্কৃতিয়ে সমাজ পৰিৱৰ্তন কৰিব পাৰে।’— সাংস্কৃতিক আৰু সামাজিক অনুষ্ঠান শ্ৰুতি শিল্পী সমাজৰ উদ্যোগত আৰু ডিব্ৰুগড় সাহিত্য সভাৰ সহযোগত ১১ মে’ত অনুষ্ঠিত ‘ব’হাগৰ এসন্ধ্যা’ শীৰ্ষক অনুষ্ঠান মুকলি কৰি ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি তথা ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট লেখক, সাহিত্যিক ড° শশীকান্ত শইকীয়াই এইদৰে কয়। সমগ্ৰ বিশ্বতে সংস্কৃতিয়ে সমাজ পৰিৱৰ্তন কৰাৰ উদাহৰণ থকা বুলি উল্লেখ কৰি ড° শইকীয়াই কয়, ‘সংস্কৃতিয়ে সমাজ পৰিৱৰ্তন কৰে বাবেই ড° ভূপেন হাজৰিকা, জ্যোতি প্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভাৰ দৰে বৰেণ্য সংস্কৃতি প্ৰেমীসকলে সমাজ পৰিৱৰ্তন কৰাৰ বাবে সংস্কৃতিৰ সহায় লৈছিল।’ এই ক্ষেত্ৰত শংকৰদেৱ, মাধৱদেৱো ব্যতিক্ৰম নাছিল বুলি তেওঁ কয়। সংস্কৃতিয়ে মানুহৰ মাজত সম্প্ৰীতি, একতা, ঐক্য বৃদ্ধি কৰে বুলি উল্লেখ কৰি তেওঁ কয়, ‘ব’হাগ বিহুৱে যুগ যুগ ধৰি অসমীয়া সমাজ শক্তিশালী কৰি আহিছে।

ডিব্ৰুগড়ৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনত ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোঁহায়ে আঁত ধৰা অনুষ্ঠানটো চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে শুভাৰম্ভ কৰে বিশিষ্ট শিল্পী চুমী ফুকন আৰু ডিব্ৰুগড় সাহিত্য সভাৰ সদস্যাসকলে। অনুষ্ঠানটোত আদৰণী ভাষণ দিয়ে শ্ৰুতি শিল্পী সমাজৰ সভাপতি, বিশিষ্ট চিকিৎসক ডাঃ নৱ গগৈয়ে। শ্ৰুতি শিল্পী সমাজৰ সম্পাদক, জ্যেষ্ঠ শিল্পী চন্দন পাঠকে আঁত ধৰা সাংস্কৃতিক কাৰ্যসূচীত বৰ বিহুৱা জিতেন দাসৰ পৰিচালনাত ডিবৰু বিহুৱা দলৰ দলীয় বিহু, অনাতাঁৰ শিল্পী ভুৱন গগৈৰ পৰিচালনাৰে সুৰ-সমলয় পৰিৱেশন, বৰ বিহুৱতী তথা শিল্পী ববী গগৈ সন্দিকৈৰ পৰিচালনাত টাই আহোম জনগোষ্ঠীয় নৃত্য লাই-লু খাম, জনগোষ্ঠীয় নৃত্য, ৰাজীৱ ফুকনৰ পৰিচালনাত মিলিজুলি মইনা পাৰিজাতৰ শিশুসকলৰ জিকিৰ পৰিৱেশন, শিল্পী মীনাক্ষি গগৈৰ পৰিচালনাৰে জনগোষ্ঠীয় নৃত্য, শিল্পী ভাবনা গগৈৰ নৃত্য, কণ্ঠশিল্পী বিতু বৰুৱা, উদীয়মান শিল্পী অভিলাস বৰুৱা, জিমি জিজ্ঞাসা বৰুৱা, তনভি তনয়া বৰুৱা, উদীপ্ত গোস্বামীয়ে গীত পৰিৱেশন কৰি মাজ নিশালৈকে সাহিত্য সভাৰ বাকৰি জীপাল কৰি ৰাখে।কাৰ্যসূচীত শ্ৰুতি শিল্পী সমাজৰ উপ-সভাপতি সুনীল গগৈ, সহকাৰী সম্পাদক মৃদুল শৰ্মা, ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি বিভাগ দুৱৰাসহ অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত আছিল।